নিশ্চয় আল্লাহে তোমালোকৰ আকাৰ-আকৃতিৰ প্ৰতি নাচায়, বৰং তোমালোকৰ অন্তৰ আৰু আমলৰ প্ৰতিহে চায়।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ নিশ্চয় আল্লাহে তোমালোকৰ আকাৰ-আকৃতিৰ প্ৰতি নাচায়, বৰং
তোমালোকৰ অন্তৰ আৰু আমলৰ প্ৰতিহে চায়। [ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, মহান আল্লাহে বান্দাসকলৰ শৰীৰ আৰু আকাৰ-আকৃতিৰ প্ৰতি গুৰুত্ব নিদিয়ে, সুন্দৰ নে কুৎসিত? সৰু নে ডাঙৰ? সুস্থ নে বেমাৰী? সিহঁতৰ ধন-সম্পদৰ প্ৰতিও গুৰুত্ব নিদিয়ে যে, সম্পদৰ পৰিমাণ কম আছিল নে বেছি আছিল? মহান আল্লাহে তেওঁৰ বান্দাসকলক এইবোৰ দুনিয়াবী বিষয়ত কম বেছি সম্পৰ্কে জবাবদিহি নকৰিব। বৰং সিহঁতৰ অন্তৰত থকা তাক্বৱা, য়াক্বীন, বিশ্বস্ততা আৰু ইখলাচ অনুযায়ীহে ফয়চালা কৰিব। অথবা সিহঁতৰ উদ্দেশ্যক প্ৰাধান্য দিব, কি উদ্দেশ্যত কৰ্মটো কৰিছিল, মানুহক দেখুৱাবলৈ নে গৌৰৱ অৰ্জন কৰিবলৈ। এইদৰে সিহঁতৰ আমলৰ প্ৰতিও তেওঁ গুৰুত্ব দিব, সঠিকভাৱে আমল কৰিছিল নে ভুল পদ্ধতিত কৰিছিল। সেইমতে তেওঁ সিহঁতক ছোৱাব প্ৰদান কৰিব তথা প্ৰতিদান দিব।

http://sunnah.global/hadeeth/as/show/4555